# BISHNU PRASAD RABHA DIVAS

Date: 20st June, 2026 Venue: Auditorium

Duliajan College observed Bishnu Prasad Rabha Divas on 20 June 2026 at the college auditorium with due respect and enthusiasm. The programme was jointly organised by the IQAC, Dance and Drama Club, Performing Club, Art and Literary Club, Music Club, Sakha Sahitya Sabha, and the Students' Union of Duliajan College. The programme was initiated with the ceremonial lighting of the lamp, followed by the opening address by Dr Lok Bikash Gogoi, Principal of the college. Dr Jitumoni Borah, IQAC Coordinator and Head of the Department of Chemistry, delivered an insightful talk on the life, contributions, and enduring legacy of Bishnu Prasad Rabha in Assamese culture and society. The programme was followed by a series of musical and dance performances by the students, which paid tribute to the rich cultural legacy of the Kalaguru and made the occasion vibrant and meaningful. The vote of thanks was given by Dr Kalyani Rajkumari, Secretary of the Sakha Sahitya Sabha of Duliajan College.






বিষ্ণুৰাভা দিৱস
২০২৬
২০ জুন,
শনিবাৰ
GPS Map Camera
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345477° Long 95.313946°
Saturday, 20/06/2026 11:58 AM GMT +05:30
Google


বিষ্ণুৰাভা দিৱস
২০ জুন, শনিবাৰ
GPS Map Came
Google
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345538° Long 95.313836°
Saturday, 20/06/2026 11:22 AM GMT +05:30


GPS Map Camera
Google
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345558° Long 95.313934°
Saturday, 20/06/2026 11:28 AM GMT +05:30



# দুলীয়াজানৰ বিভিন্ন স্থানত 'বিষ্ণু ৰাভা দিৱস' পালন

**আমাৰ খবৰ, দুলীয়াজান, ২০ জুন ঃ** আজি কলাগুৰু দুলীয়াজানৰ বিভিন্ন স্থানত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন। আজি দুলীয়াজান মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ, মিউজিক ক্লাব, পাৰ্ফমিং ক্লাব, আৰ্ট এণ্ড লিটাৰেৰী ক্লাব, ডান্স এণ্ড ড্ৰামা ক্লাব আৰু দুলীয়াজান মহাবিদ্যালয় শাখা সাহিত্য সভা, ছাত্ৰ একতা সভাৰ সন্মিলিত প্ৰচেষ্টাত আটকধুনীয়া কাৰ্যসূচীৰে 'বিষ্ণু ৰাভা দিৱস' উদযাপিত হয়। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক- অধ্যাপিকাসকলৰ দ্বাৰা পৰিবেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে। তেওঁ বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুমুখী সাংস্কৃতিক প্ৰতিভাৰ উপৰি তেওঁৰ বৈপ্লৱিক চেতনাৰ কথাও উল্লেখ কৰি আজিৰ এখন জনপ্ৰিয় বাতৰিকাকতত প্ৰকাশিত কবি নীলিম কুমাৰৰ এটি কবিতা আবৃত্তি কৰে। সভাত মুখ্য বক্তা হিচাপে বক্তব্য প্ৰদান কৰি দুলীয়াজান মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জিতুমণি বড়াই বিষ্ণুপ্ৰসাদ ৰাভাৰ সামগ্ৰিক জীৱনগাঁথাৰ সামৰি তেওঁৰ বৰ্ণিল জীৱনৰ বিভিন্ন খুহুতীয়া কথাৰ অৱতাৰণা কৰি এটি সাবলীল ভাষণ আগবঢ়ায়। অনুষ্ঠানত উপাধ্যক্ষা জ্যোতি সিং পাঠকে বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে বক্তৃতা প্ৰদান কৰাৰ উপৰি জ্যেষ্ঠ অধ্যাপিকা ড° মনচুন হাতীবৰুৱাই দুটা কবিতা আবৃত্তিৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সহযোগী অধ্যাপক ড° চিত্ৰজিৎ শইকীয়াই আজিৰ দিনটোতে পথাৰৰ কবি ৰাম গগৈ আৰু নিৰ্মলপ্ৰভা বৰদলৈকো সোঁৱৰণ কৰি ৰাম গগৈৰ বিষ্ণু ৰাভা বিষয়ক এটি কবিতা আবৃত্তি কৰে। আনহাতে দুলীয়াজান সাহিত্য সভা ভৱনত দুলীয়াজান সাহিত্য সভাৰ উদ্যোগত আৰু উত্তৰণ কবি চক্ৰ, দুলীয়াজান লেখিকা সংস্থা, দুলীয়াজান লেখিকা সমাৰোহ সমিতিৰ সহযোগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন কৰা হয়। দুলীয়াজান সাহিত্য সভাৰ সভাপতি ড° অজিত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত তিনিচুকীয়া জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তী শৰ্মা নিদিষ্ট বক্তা ৰূপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে উষাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহ শিক্ষয়িত্ৰী অমি বড়া উপস্থিত বিষ্ণু প্ৰসাদ ৰাভাৰ ওপৰত সাৰুৱা মন্তব্য আগবঢ়ায়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ২০২৫ -২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ক্ৰমে মাৰ্টিনা খনিকৰ, অনুষ্কা কন্দলী, মঞ্জিষ্ঠা দত্ত আৰু উদিতা কংকনা ফুকনক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত উত্তৰণ কবি চক্ৰৰ সভাপতি জুবিলী গগৈ, লেখিকা সংস্থাৰ সভাপতি মিতালী মহন্ত, লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভাপতি বৰ্ণালী গোস্বামীসহ বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে।

# হিজনুস চুৰিনৰ মৃত্যুত 'আছা'ৰ শোক

**আমাৰ খবৰ, মাহমৰা, ২০ জুন ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা(আছা)ৰ বৰডুমছা আঞ্চলিক সমিতিৰ সাংগঠনিক সম্পাদক হিজনুস চুৰিনৰ অকাল মৃত্যুত আছাৰ কেন্দ্ৰীয় সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজান হৰ' সাধাৰণ সম্পাদক দেৰেন উৰাঙে অমায়িক ছাত্ৰ নেতা গৰাকীৰ মৃত্যুত মৰ্মাহত আৰু শোকস্তব্ধ হৈ পৰা বুলি উল্লেখ কৰে। এজন নিষ্ঠাবান আৰু সমাজপ্ৰিয় নেতাৰ অকাল মৃত্যু সংগঠনটোৰ লগতে সমগ্ৰ অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।